পাইছোঁ। পথেৰ পাচাঁলীয়ে তাৰ নিজস্ব গুণেই কালোত্তীৰ্ণ উপন্যাস হিচাপে জনতাৰ হৃদয়ত তাৰ প্ৰতিষ্ঠা গজগজীয়াকৈ ৰাখিছে, প্ৰথাগত সমালোচনা য'ত এতিয়াও তাৰ যাদুকৰী বৰ্ণাঢ্য ৰূপটোৰ বিচাৰ-বিশ্লেষণতে সীমাবদ্ধ। ড° হীৰেণ গোহাঁইৰ এটি মন্তব্য উপন্যাসখনৰ দৃষ্টিভংগীৰ বিচাৰৰ প্ৰশ্ন নিশ্চয় অতি গুৰুত্বপূৰ্ণ। "অতীতৰ জীৱনত মোহাসক্তিৰ যি আচ্ছাদন পৰে,— যি অতীত আৰু কোনো দিন উভতি নাহে– ঔপন্যাসিকে তেওঁৰ বিবেক-বুদ্ধিক সেই মোহাবৰণৰ দ্বাৰা আচ্ছন্ন হ'বলৈ দিয়া নাই। প্ৰুষ্টৰ সেই বিখ্যাত উক্তি, – "The only Paradise is the Paradise we have lost" — সাৰ্থক ৰূপেৰে বিভূতিভূষণে নিশ্চিন্দিপুৰৰ অতীতটোক ইমান মায়াৰে আবৃত কৰিছে এই বাবেই যে তেওঁ ভালকৈয়ে জানে যে অতীতলৈ প্ৰত্যাবৰ্তন যথাৰ্থতে অসম্ভৱ। নতুবা সেয়া কেৱল মানুহৰ সম্পূৰ্ণ অনাত্মীয় কোনো নৈৰ্ব্যক্তিক কালৰ অভিযানৰ বাবেই নহয়। মানুহ স্বয়ং কালৰ এই নিৰ্মম অভিযানৰ অংশীদাৰ। যিটোৰ তাগিদাত হৰিহৰে স্ত্ৰী-পুত্ৰৰ হাতত ধৰি অজান ভৱিষ্যতৰ দিশলৈ নিশ্চিন্দিপুৰৰ মায়া-মোহ তেজি গুচি গৈছে, যিটোৰ তাগিদাত অপুৱেও সৰ্বজয়াৰ মৃত্যুৰ পিছত তাৰ মাকৰ স্মৃতিবিটোৌত ভেটি ত্যাগ কৰি উলটি গৈছে কৰ্মচঞ্চল জগতখনলৈ– সেই তাগিদা কালৰেই এক অভিব্যক্তি মাত্ৰ। নিশ্চিন্দিপুৰৰ গছ-লতিকা, চৰাই-চিৰিকতি, মমতাৰে ভৰা মা-ভনী-সংগিনীৰ হৃদয়, তাতকৈও অপুক বেছিকৈ টানি ৰাখিছে দূৰ-দূৰান্তৰ অজানা খবৰ কঢ়িয়াই অনা ৰেলগাড়ী আৰু "টেলিগ্ৰাফৰ" তাঁৰে।" *(গোঁহাই হীৰেণ, ২০০০, ১০৭)* ৰেলগাড়ী আৰু টেলিগ্ৰাফৰ তাঁৰ ইয়াত অনিবাৰ্যভাৱেই মুক্তি, বিকাশ আৰু প্ৰগতিৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক। এই প্ৰতীকেৰেই বিভূতিভূষণে অপুৰ অনন্ত যাত্ৰাৰ স্বপ্ন মুৰ্তিমান কৰি তুলিছে।